**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 21-02-2026 **Time :** 0755 Hrs.

***Assamese Morning Regional Bulletin***

**---------------------------**

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুৱাহাটীৰ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় বাহিনীটোৱে এইবাৰ প্ৰথমবাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলত প্ৰতিষ্ঠা দিৱসৰ ৰাষ্ট্ৰীয় কুচ-কাৱাজৰ আয়োজন কৰিছে। সৰুসজাইত আজি দিনৰ ১১ বজাত এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকিব। শ্ৰীশ্বাহে আজি সোণাপুৰৰ কচুতলীত দশম অসম আৰক্ষী বাহিনীৰ নতুন ছাউনীৰ আধাৰশিলাও স্থাপন কৰিব। গৃহমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণকালত বিজেপিৰ নিৰ্বাচনকেন্দ্ৰিক মিত্ৰতা সন্দৰ্ভত চূড়ান্ত আলোচনা হোৱাৰ সম্ভাৱনা আছে। দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা কেন্দ্ৰীয় মন্ত্ৰীগৰাকী কাছাৰ  ভ্ৰমণ সামৰি কালি নিশা গুৱাহাটীত উপস্থিত হয়।  গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত শ্ৰীশ্বাহক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আদৰণি জনায়।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কালি কাচাৰ জিলাত ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায় আনুষ্ঠানিকভাৱে মুকলি কৰে। এই কাৰ্যসূচীত সীমামুৰীয়া গাঁওসমূহৰ উন্নয়ন আৰু সীমান্তৱৰ্তী অঞ্চলৰ জনসাধাৰণৰ বাবে বহনক্ষম কৰ্মসংস্থাপন সৃষ্টিত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। বিগত ১০ বছৰত অসমৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰায় ১৫ লাখ কোটি টকা আবণ্টন দিছে বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীক উন্নত অসম গঢ়াৰ দিশত এটা অতি গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম উত্তৰ-পূৰৰ স্বাস্থ্য সেৱাৰ কেন্দ্ৰ হিচাপে পৰিগণিত হৈছে বুলি উল্লেখ কৰি গৃহমন্ত্ৰীগৰাকীয়ে ছেমি কণ্ডাক্টৰ খণ্ডকে ধৰি বিভিন্ন  প্ৰকাৰৰ উদ্যোগসমূহে অসমক বিকশিত ৰাজ্য হিচাবে গঢ়ি তুলিব বুলি মন্তব্য কৰে।

***-বাইট-***

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে অবৈধ অনুপ্ৰৱেশ অসমৰ বাবে এটা বৃহৎ সমস্যা বুলি উল্লেখ কৰি কয়, যে বিজেপি চৰকাৰে বিগত ১০ বছৰত অনুপ্ৰৱেশ ৰোধ কৰাৰ বাবে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০০০০

ৰাজ্যৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি ধেমাজি জিলা আয়ুক্তৰ সভাকক্ষত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অহা ২৭ ফেব্ৰুৱাৰীত ধেমাজিৰ কাছাৰীময়দানত অংশ ল'বলগীয়া কাৰ্যসূচীৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰা হয়।

উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰীয়ে সেইদিনা মিছন বসুন্ধৰা আঁচনিৰ অধীনত জিলাখনৰ ৩২ হাজাৰ খিলঞ্জীয়া লোকক ভূমিপট্টা প্ৰদান কৰিব।

০০০০০০০

আজি আন্তৰ্জাতিক মাতৃভাষা দিৱস। বিভিন্ন ভাষা আৰু সাংস্কৃতিক বৈশিষ্ট্য উদযাপনৰ অৰ্থে প্ৰতিবছৰে ২১ ফেব্ৰুৱাৰী দিনটোত আন্তৰ্জাতিক মাতৃভাষা দিৱস পালন কৰি অহা হৈছে। ১৯৯৯ চনৰ ১৭ নৱেম্বৰত ইউনেস্কই প্ৰথমবাৰৰ বাবে এই দিৱসৰ ঘোষণা কৰিছিল। পৰৱৰ্তী সময়ত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ এখন ঘোষণা পত্ৰৰ জৰিয়তে আনুষ্ঠানিকভাৱে এই দিৱসৰ স্বীকৃতি প্ৰদান কৰা হয়।

০০০০০০০

বিশ্বনাথ জিলাৰ অন্তৰ্গত বিহালী বিধানসভা সমষ্টিৰ কেইবাটাও অঞ্চলত কালি সাংসদ ৰঞ্জিত দত্তই বিভিন্ন আঁচনিৰ অধীনত নিৰ্মাণ হ'বলগীয়া পথসমূহৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰে মোনাবাৰী গাওঁপথৰ পৰা চবিলাল তেলেংগা পথ, উড়িয়া বস্তি পথ হৈ নেফা তিনিআলি কালাহান্দি প্ৰাথমিক বিদ্যালয়লৈ যোৱা পথ, ৰঙাজান-ন'মৰা পথ, তেঙাবাৰী-বৰজাৰনী মিকিৰ প্ৰাথমিক বিদ্যালয় পথ, লালপানী-পাভৈ-বৰগাং পথ, পূব জিঞ্জিয়া এৰাংগা পুখুৰী-পূব জিঞ্জিয়া গাওঁ পথ আৰু ৰাষ্ট্ৰীয় ঘাইপথৰ মাদুৰআলী এৰাংগা পথৰ আধৰশিলা স্থাপন কৰা হয়। এই আধাৰশিলা স্থাপন অনুষ্ঠানত সাংসদ দত্তৰ সৈতে বিধায়ক দিগন্ত ঘাটোৱাল আৰু ভালে সংখ্যক লোক উপস্থিত থাকে।

০০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় সাহিত্য উৎসৱৰ কালি তৃতীয় দিনা বিশ্ববিদ্যালয়খনৰ গ্ৰন্থাগাৰ চৌহদত অনুষ্ঠিত অধিবেশনত সংগীত, সংস্কৃতি আৰু মানৱীয় অনুভূতিৰ আন্তঃ সম্পৰ্ক সন্দৰ্ভত অন্তৰংগ আলোচনা অনুষ্ঠিত হয়। এই কাৰ্যসূচীত লেখক গৱেষক অজয় মাংকোটিয়া, লেখিকা অতিমা মাংকোটিয়া আৰু সাংস্কৃতিক বিশ্লেষক তাজদীক মহম্মদ গজনভীয়ে অংশ লয়। বক্তাসকলে নিজৰ স্মৃতি, সংগীত আৰু অভিজ্ঞতা সন্দৰ্ভত আলাপ কৰে। এই আলোচনাত ডিজিটেল পৃথিৱীত সংগীতৰ পৰিৱৰ্তনে বিশেষভাৱে বিস্তাৰ কৰা প্ৰভাৱৰ বিষয়ে স্থান লাভ কৰে।

০০০০০০০

ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ শতবৰ্ষ উপলক্ষে কালি ডিব্ৰুগড় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত প্ৰমুখ নাগৰিক সন্মিলন অনুষ্ঠিত হয়। সংস্থাটোৰ অখিল ভাৰতীয় সম্পৰ্ক প্ৰমুখ ৰামলাল জিয়ে শতবৰ্ষ সম্পূৰ্ণ কৰা অনুষ্ঠানটোৰ সন্দৰ্ভত বিষদভাৱে বক্তব্য দি তেওঁ কয় যে ১০০ বছৰীয়া যাত্ৰাত সংঘই সমাজৰ বিভিন্ন শ্ৰেণীৰ মাজত আত্মসচেতনতা আৰু গৌৰৱ কঢ়িয়াই অনাত বিশেষ ভূমিকা গ্ৰহণ কৰিছে। সংঘই সামাজিক সম্প্ৰীতি বৃদ্ধিত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে বুলিও তেওঁ উল্লেখ কৰে।

০০০০০০০

**সমাপ্ত**